**NSD NEWS BULLETIN**
**ALL INDIA RADIO, GUWAHATI**
**0000000000**

**Date :** 29-06-2026
**Time :** 0705 HRS.

ASSAMESE MORNING BULLETIN

**HEADLINES**

**::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে চিচিলিৰ স্বাধীনতাৰ ৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে অনুষ্ঠিত ৰাষ্ট্ৰীয় দিৱসৰ কাৰ্যসূচীত কালি অংশগ্ৰহণ কৰে।

২। পৰিবেশ সংৰক্ষণ আৰু বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত দিয়া নেতৃত্বৰ বাবে প্ৰধানমন্ত্ৰী মোদীক চিচিলিৰ সৰ্বোচ্চ সন্মান **গাৰ্ডিয়ান অব দা ব্লু হৰাইজন** প্ৰদান কৰা হৈছে।

৩। উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী পীয়ূষ গোৱেল উচ্চস্তৰীয় প্ৰতিনিধি দলৰ সৈতে গ্ৰীচৰ এথেন্সলৈ ৰাওনা হৈছে।

৪। ইউ এছ্ অ'পেন বেডমিণ্টন প্ৰতিযোগিতাত ভাৰতৰ কিদাম্বী শ্ৰীকান্তে পুৰুষৰ ছিংগলছৰ ফাইনেলত প্ৰৱেশ কৰিছে। ***আৰু***

৫। বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত যোৱা নিশা অনুষ্ঠিত নকআউট পৰ্যায়ৰ এখন খেলত কানাডাই দক্ষিণ আফ্ৰিকাক ১-০ গ'লত পৰাস্ত কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি চিচিলিৰ স্বাধীনতাৰ ৫০ বছৰ সম্পূৰ্ণ হোৱা উপলক্ষে অনুষ্ঠিত ৰাষ্ট্ৰীয় দিৱসৰ কাৰ্যসূচীত অংশগ্ৰহণ কৰে। এই অনুষ্ঠানত সন্মানীয় অতিথি হিচাপে উপস্থিত থকা শ্ৰীমোদী হৈছে প্ৰথমগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰী। দেশখনৰ ৰাষ্ট্ৰীয় দিৱসৰ পেৰেডত ভাৰতীয় নৌসেনা আৰু স্থলসেনাৰ দলে অংশ লয়। চিচিলিৰ সৈতে থকা ভাৰতৰ দীৰ্ঘদিনীয়া বন্ধুত্বৰ চিন স্বৰূপে ভিক্ট'ৰীয়া বন্দৰত আই এন এছ্ তাৰকশ আৰু আই এন এছ্ ঈকছাকক সাজু কৰি ৰখা হয়।

দেশখনৰ ৰাষ্ট্ৰপতি পেট্ৰিক হাৰ্মিনীৰ আমন্ত্ৰণমৰ্মে প্ৰধানমন্ত্ৰী মোদী যোৱা শনিবাৰে চিচিলিলৈ যায়। কালিৰ অনুষ্ঠানত বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড০ এছ্ জয়শংকৰ, ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত ডোভাল আৰু মৰিছাছৰ প্ৰধানমন্ত্ৰী ড০ নবীনচন্দ্ৰ ৰামগুলাম উপস্থিত থাকে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক পৰিবেশ সংৰক্ষণ আৰু বহনক্ষম উন্নয়নৰ ক্ষেত্ৰত দিয়া নেতৃত্বৰ বাবে চিচিলিৰ সৰ্বোচ্চ সন্মান **গাৰ্ডিয়ান অব দা ব্লু হৰাইজন** প্ৰদান কৰা হৈছে। চিচিলিৰ ৰাষ্ট্ৰপতি ড০ পেট্ৰিক হাৰ্মিনীয়ে এই সন্মান প্ৰদান কৰি শ্ৰীমোদীৰ বহনক্ষম বিকাশৰ দিশত দীৰ্ঘদিনীয়া প্ৰচেষ্টা তথা তেওঁৰ সেউজ দৰ্শনৰ প্ৰশংসা কৰে। সেউজ নেতৃত্ব, উন্নয়নমূলক ৰাষ্ট্ৰসমূহক আগবঢ়াই নিয়াৰ ক্ষেত্ৰত কৰা প্ৰচেষ্টা আৰু সামুদ্ৰিক অৰ্থনীতি, জলবায়ু সুৰক্ষা তথা সাগৰীয় সম্পদসমূহৰ বহনক্ষম ব্যৱস্থাপনাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী মোদীৰ দীৰ্ঘদিনীয়া প্ৰতিশ্ৰুতিবদ্ধতাৰ বাবে তেওঁক এই সন্মান প্ৰদান কৰা হয়।

শ্ৰীমোদীয়ে এই সন্মান লাভ কৰি চিচিলিৰ চৰকাৰ তথা জনসাধাৰণক ধন্যবাদ জনায়। তেওঁ জলবায়ু পৰিৱৰ্তনৰ প্ৰত্যাহ্বানৰ বিৰুদ্ধে কাম কৰি অহা আৰু ভৱিষ্যৎ প্ৰজন্মৰ বাবে পৰিৱেশ সংৰক্ষণক নিজৰ দায়িত্ব বুলি ভবা প্ৰতিখন দেশৰ নাগৰিকলৈ এই সন্মান উচৰ্গা কৰে। এই সন্মানে আন্তঃৰাষ্ট্ৰীয় সৌৰ

মিত্ৰতা, মিছন লাইফ, এক পেড় মা কে নাম আৰু আন্তঃৰাষ্ট্ৰীয় বিগ কেট সন্মিলনকে ধৰি এখন সেউজ ধৰণী নিৰ্মাণৰ প্ৰতি প্ৰধানমন্ত্ৰী মোদীৰ দায়বদ্ধতাক প্ৰতিফলিত কৰে। উল্লেখযোগ্য যে প্ৰধানমন্ত্ৰীগৰাকীয়ে বহনক্ষম উন্নয়নৰ প্ৰসাৰৰ বাবে শেহতীয়াকৈ এগ্ৰিক'লা বঁটা, ছিউল শান্তি বঁটা আৰু ৰাষ্ট্ৰসংঘৰ চেম্পিয়ন অৱ দা আৰ্থ বঁটাৰ দৰে সন্মান লাভ কৰে। বিগত বছৰসমূহত শ্ৰীমোদীয়ে পৰিৱেশ সংৰক্ষণৰ দিশত ভাষণ আৰু সন্মিলনৰ সিদ্ধান্তৰ উপৰি জলবায়ু কাৰ্যকৰী ব্যৱস্থাৰ ক্ষেত্ৰত গুৰুত্ব দি আহিছে। তেওঁ বিশেষকৈ পৰিকল্পনাসমূহক কাৰ্যলৈ ৰূপান্তৰিত কৰাত গুৰুত্ব দিছে। প্ৰধানমন্ত্ৰীগৰাকীয়ে লগতে বহনক্ষমভাৱে জীয়াই থকাক জীৱন ধাৰণৰ এটা অংশ কৰি ল'বলৈ সকলোৰে প্ৰতি আহ্বান জনায়।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি চিচিলিত মৰিছাছৰ প্ৰধানমন্ত্ৰী ড০ নবীনচন্দ্ৰ ৰামগুলামক সাক্ষাৎ কৰে। দুয়োগৰাকী নেতাই দেশ দুখনৰ মাজত সম্প্ৰতি অব্যাহত থকা সহযোগিতা সন্দৰ্ভত আলোচনা কৰে। তেওঁলোকে লগতে ভাৰতে মৰিছাছৰ বাবে আগবঢ়োৱা বিশেষ অৰ্থনৈতিক পেকেজৰ অগ্ৰগতিৰ পৰ্যালোচনা কৰে। শ্ৰীমোদীয়ে কয়, যে মৰিছাছৰ প্ৰগতি আৰু উন্নয়নৰ বাবে ভাৰতৰ সহযোগিতাত চলি থকা দ্বিপাক্ষিক প্ৰকল্পই দেশখনৰ স্বাস্থ্যসেৱা, যোগাযোগ, বহনক্ষম বিকাশ আৰু সামুদ্ৰিক অৰ্থনীতিত অৰিহণা যোগাব। দুয়োগৰাকী প্ৰধানমন্ত্ৰীয়ে ভাৰতৰ মহাসাগৰ দৰ্শন আৰু চুবুৰীয়া প্ৰথম নীতিৰ অধীনত ভাৰত-মৰিছাছ ব্যাপক কৌশলগত অংশীদাৰিত্ব আৰু গোলকীয় দক্ষিণৰ প্ৰতি উমৈহতীয়া প্ৰতিশ্ৰুতিবদ্ধতাৰ গুৰুত্বৰ দিশত সন্মতি প্ৰকাশ কৰে।

ooooo

কেন্দ্ৰীয় খাদ্য প্ৰসংস্কৰণ উদ্যোগ দপ্তৰৰ মন্ত্ৰী চিৰাগ পাছৱানে ভাৰতৰ সৰ্বাংগীণ বিকাশৰ বাবে খাদ্য প্ৰসংস্কৰণ উদ্যোগ স্থাপন কৰাটো বৰ্তমান সময়ত অতি প্ৰয়োজন বুলি প্ৰকাশ কৰিছে। তেওঁ কয়, যে এনে উদ্যোগে কৃষক, গ্ৰাম্য অৰ্থনীতি আৰু যুৱক-যুৱতীৰ বাবে বহনক্ষম বিকাশ নিশ্চিত কৰিব। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে যুৱচামক নিয়োগ বিচৰাৰ পৰিৱৰ্তে নিয়োগ সৃষ্টি কৰিব পৰাকৈ নিজকে গঢ়ি তুলিবলৈ আহ্বান জনায়। মহাৰাষ্ট্ৰৰ খাদ্য প্ৰযুক্তি মহাবিদ্যালয়ৰ বসন্ত ৰাও মাৰাথৱাড়া কৃষি বিদ্যাপীঠত এটা সামূহিক ইনকিউবেচন কেন্দ্ৰ উদ্বোধন কৰি দিয়া ভাষণত শ্ৰীপাছৱানে এইদৰে কয়। তেওঁ উল্লেখ কৰে যি বিকশিত ভাৰতৰ দৰ্শন প্ৰাপ্তিৰ বাবে শিক্ষাৰ্থী, শিক্ষক আৰু যুৱচামৰ সক্ৰিয় অংশগ্ৰহণ অতি প্ৰয়োজন। খাদ্য শস্যৰ উৎপাদনত ভাৰত আত্মনিৰ্ভৰশীল হৈ উঠাৰ পৰৱৰ্তী পৰ্যায়ত কৃষকসকলৰ আয় বৃদ্ধিৰ বাবে খাদ্য প্ৰসংস্কৰণৰ জৰিয়তে মূল্য সংবৰ্ধনৰ ওপৰত গুৰুত্ব দিব লাগিব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

ooooo

ব্ৰিটেইন ভ্ৰমণ সামৰি উদ্যোগ আৰু বাণিজ্য মন্ত্ৰী পিয়ুষ গোৱেল উচ্চস্তৰীয় প্ৰতিনিধি দলৰ সৈতে গ্ৰীচৰ এথেন্সলৈ ৰাওনা হৈছে। এই ভ্ৰমণৰ উদ্দেশ্য হৈছে দেশখনৰ সৈতে বাণিজ্য, বিনিয়োগ আৰু কৌশলগত অৰ্থনৈতিক সহযোগিতা বৃদ্ধি কৰা। উদ্যোগ আৰু বাণিজ্য মন্ত্ৰালয়ে প্ৰকাশ কৰা অনুযায়ী গ্ৰীচ ভ্ৰমণৰ সময়ত প্ৰতিনিধি দলটোৱে ষ্টাৰ্ট আপ সন্দৰ্ভত এটা অনুষ্ঠানত অংশগ্ৰহণ কৰিব। তেওঁলোকে লগতে আন্তঃগাথঁনি, ডিজিটেলাইজেচন আৰু প্ৰতিৰক্ষা, খাদ্য আৰু কৃষি, আদি ক্ষেত্ৰত সহযোগিতাৰ ন ন সুযোগ সন্ধানৰ লগতে ব্যক্তিগত খণ্ডৰ অংশীদাৰীত্ব বৃদ্ধিৰ উদ্দেশ্যে দেশখনৰ উদ্যোগপতি সকলৰ সৈতে ঘূৰণীয়া মেজমেলতো ভাগ ল'ব। ইয়াৰ পূৰ্বে শ্ৰী গোৱেলৰ ব্ৰিটেইন ভ্ৰমণৰ সময়ত উভয় দেশৰ উদ্যোগপতি সকলে বাণিজ্য আৰু বিনিয়োগ শক্তিশালী কৰাৰ উদ্দেশ্যে প্ৰস্তাৱিত ব্যাপক অৰ্থনৈতিক আৰু বাণিজ্য চুক্তিৰ প্ৰতি সমৰ্থন আগবঢ়াবলৈ পুনৰনিশ্চিতি প্ৰদান কৰে।

০০০০০

চলিত বৰ্ষৰ ইউ এছ অপেন বেডমিন্টন প্ৰতিযোগিতাত ভাৰতৰ তাৰকা খেলুৱৈ কিদাম্বী শ্ৰীকান্ত পুৰুষৰ ছিংগলছৰ ফাইনেলত প্ৰৱেশ কৰিছে। কেলিফোৰ্নিয়াত অনুষ্ঠিত প্ৰতিযোগিতাৰ ছেমি ফাইনেলত শ্ৰীকান্তে জাপানৰ যুদাই অ'কিমোতোক ২২-২০,১৫-২১,২১-১৯ গেমত পৰাস্ত কৰে। ৩৩ বছৰীয়া ভাৰতীয় খেলুৱৈ গৰাকী কাইলৈ ফাইনেলত চীনা টাইপেইৰ অষ্টম বাচনিৰ চু লী - য়াঙৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। দুয়োগৰাকী খেলুৱৈয়ে ইয়াৰ পূৰ্বে দুখন খেলত মুখামুখি হৈছিল আৰু উভয়ে এখনকৈ খেলত জয়ী হৈছিল। ইপিনে, মহিলাৰ ছিংগলছৰ ছেমি ফাইনেলত ভাৰতৰ দেৱীকা চিহাগ ডেনমাৰ্কৰ লিনে ক্ৰিষ্টোফাৰৰ হাতত ১৫-২১,২১-১১,২১-১৫ গেমত পৰাজিত হয়।

০০০০০

ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাত যোৱা নিশা আমেৰিকাৰ লছ এঞ্জেলছত অনুষ্ঠিত নকআউট পৰ্যায়ৰ এখন খেলত কানাডাই দক্ষিণ আফ্ৰিকাক ১-০ গ'লত পৰাস্ত কৰে। কানাডাৰ হৈ ষ্টিফেন ইউষ্টাকিউৱেই খেলখনৰ দ্বিতীয়াৰ্ধৰ সামৰণিলৈ ২ মিনিট বাকী থকা অৱস্থাত বিজয়সূচক গ'লটো দিয়ে। সহ আয়োজক কানাডাই খেলখনৰ অন্তিম মুহূৰ্তত সুন্দৰ প্ৰদৰ্শনেৰে ফুটবল প্ৰেমীৰ মন জয় কৰে। কানাডাই অহা ৪ জুলাইত হিউষ্টনত নেডাৰলেণ্ডছ অথবা মৰক্কোৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

উল্লেখযোগ্য যে ফিফা বিশ্বকাপ ফুটবল প্ৰতিযোগিতাৰ নকআউট পৰ্যায়ৰ খেলসমূহ যোৱা নিশাৰে অনুষ্ঠিত হৈছে। গ্ৰুপ পৰ্যায়ত জয়লাভ কৰা ৩২টা দল নকআউট পৰ্যায়ৰ খেলত অৱতীৰ্ণ হ'ব।

০০০০০

আই চি চি মহিলা টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাত যোৱা নিশা লণ্ডনৰ লৰ্ডছত অনুষ্ঠিত গ্ৰুপ-এৰ ফাইনেল খেলখনত অষ্ট্ৰেলিয়াই ভাৰতক ৬ উইকেটত পৰাস্ত কৰে। অষ্ট্ৰেলিয়াই ১৭১ ৰানৰ বিজয়লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰত ৪ উইকেটৰ বিনিময়ত নিৰ্ধাৰিত লক্ষ্যত উপনীত হয়। এলিজ পেৰিক প্লেয়াৰ অৱ দা মেচ ঘোষণা কৰা হয়। গ্ৰুপৰ অন্তিমখন খেলত পৰাস্ত হোৱাৰ পাছত সম্প্ৰতি ভাৰতৰ বিশ্বকাপৰ যাত্ৰা ইমানতে সামৰণি পৰিছে।

০০০০০

বেলফাষ্টত অনুষ্ঠিত টি-২০ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট শৃংখলাৰ দ্বিতীয় তথা অন্তিমখন খেলত কালি আয়াৰলেণ্ডে ভাৰতক ১ ৰানত পৰাস্ত কৰি শৃংখলা দখল কৰে। ঘৰুৱা দলটোৱে ভাৰতক জয়ৰ বাবে ১৫৫ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিয়ে। দলটোৱে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮ উইকেটৰ বিনিময়ত ১৫৪ ৰান সংগ্ৰহ কৰে। প্ৰত্যুত্তৰত ভাৰতে নিৰ্ধাৰিত অভাৰত আটাইকেইটা উইকেট হেৰুৱাই ১৫৩ ৰানহে কৰিবলৈ সমৰ্থ হয়। দলৰ হৈ তিলক বাৰ্মাই সৰ্বাধিক ৫৫ ৰান কৰে। আয়াৰলেণ্ডৰ হৈ তিনিটা উইকেট লাভ কৰা জয় মুণ্ড্ৰাক প্লেয়াৰ অৱ দা মেচ আৰু প্লেয়াৰ অৱ দা ছিৰিজ ঘোষণা কৰা হয়। ইয়াৰ পূৰ্বে প্ৰথমখন খেলত আয়াৰলেণ্ডে ভাৰতক ৩৪ ৰানত পৰাস্ত কৰিছিল।

০০০০০

সমাপ্ত